**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-09-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ব্ৰুনেই আৰু ছিংগাপুৰ ভ্ৰমণৰ প্ৰথম পৰ্যায়ত আজি ব্ৰুনেইত থকা ভাৰতীয় উচ্চায়োগৰ নতুন খণ্ডপীঠ মুকলি।

২। ভাৰতীয় জনতা পাৰ্টীয়ে দেশজুৰি আৰম্ভ কৰা সদস্যভৰ্তি অভিযানৰ অধীনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সদস্যপদ নবীকৰণেৰে ৰাজ্যত এই অভিযানৰ আৰম্ভণি।

৩। চাইবাৰ অপৰাধত জড়িত থকাৰ অপৰাধত মহানগৰ আৰক্ষীৰ ৪ জন যুৱক গ্ৰেপ্তাৰ। চাইবাৰ অপৰাধ সন্দৰ্ভত পাণবজাৰৰ চাইবাৰ থানাত বিগত এবছৰত ৬০৬টা অভিযোগ দাখিল হোৱা বুলি মহানগৰ আৰক্ষী আয়ুক্তৰ প্ৰকাশ।

৪। পাঞ্জাব আৰু অসমৰ মাজৰ সম্প্ৰীতিৰ এনাজৰী অধিক সুদৃঢ় কৰাত উদ্যোগ ল'বলৈ অসমৰ প্ৰাক্তন তথা বৰ্তমান পাঞ্জাবৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াক অসম চৰকাৰ আহ্বান।

আৰু

৫। ৰাজ্যজুৰি ৪১ সংখ্যক অভিৰুচি ক্ৰীড়া দিৱস উদযাপন।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ব্ৰুনেই আৰু ছিংগাপুৰ ভ্ৰমণৰ প্ৰথম পৰ্যায়ত আজি দুপৰীয়া ব্ৰুনেইৰ ৰাজধানী বন্দৰ ছেৰী বিগৱানত উপস্থিত হৈছেগৈ। ব্ৰুনেই বিমান বন্দৰত প্ৰধানমন্ত্ৰীক যুৱৰাজ হাজি অল মুহতাদী বিল্লাহে আনুষ্ঠানিকভাৱে অভ্যৰ্থনা জনায়। প্ৰথম দ্বিপাক্ষিক ভ্ৰমণসূচীৰে তেওঁ ব্ৰুনেইলৈ গৈছে। ভাৰত আৰু ব্ৰুনেই দুয়ো দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশখন ভ্ৰমণ কৰিছে।

ভ্ৰমণৰ প্ৰথম দিনা শ্ৰী মোদীয়ে আজি ব্ৰুনেইত থকা ভাৰতীয় উচ্চায়োগৰ নতুন খণ্ডপীঠ মুকলি কৰে।

ইয়াৰ আগেয়ে দ্বিদেশীয় ভ্ৰমণসূচীৰে ৰাওৱা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ব্ৰুনেই আৰু ছিংগাপুৰ ভ্ৰমণে দেশ দুখনৰ লগতে বৃহত্তৰ আছিয়ান অঞ্চলৰ সৈতে ভাৰতৰ সহযোগিতা সুদৃঢ় কৰিব বুলি আস্থা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয় যে, দুয়োখন দেশ ভাৰতৰ এক্ট ইষ্ট নীতি আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ সহযোগী। উৎসৱ পালনৰ কথা উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে তেওঁ চুলতান হাজি হছনল বোলকিয়া আৰু ৰাজ পৰিয়ালৰ অন্য সদস্যসকলৰ সৈতে আলোচনাত মিলিত হ'বলৈ আগ্ৰহেৰে বাট চাই আছে।

প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত কাইলৈ ব্ৰুনেইৰ পৰা ছিংগাপুৰলৈ ৰাওনা হ'ব। শ্ৰী মোদীয়ে কয় যে তেওঁক ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰমন ছনমুগৰত্নম, প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱং, জ্যেষ্ঠ মন্ত্ৰী লী ছিয়েন লুং আৰু জ্যেষ্ঠ নেতা গোহচোক তোঙক সাক্ষাৎ কৰাৰ এই সুযোগলৈ আগ্ৰহেৰে অপেক্ষা কৰি আছে। ভ্ৰমণকালত শ্ৰী মোদীয়ে ছিংগাপুৰত আগশাৰীৰ ব্যৱসায়ীসকলকো সাক্ষাৎ কৰিব। প্ৰধানমন্ত্ৰীয়ে ছিংগাপুৰৰ সৈতে বিশেষকৈ উন্নত নিৰ্মাণ প্ৰযুক্তি, ডিজিটীয়কৰণ আৰু দীৰ্ঘস্থায়ী উন্নয়নৰ ক্ষেত্ৰত কৌশলগত সহযোগিতা গভীৰ কৰি তোলাৰ বিষয় লৈ আলোচনা কৰিব বুলি প্ৰকাশ কৰে।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে দেশজুৰি আৰম্ভ কৰা সদস্যভৰ্তি অভিযানৰ অধীনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সদস্যপদ নবীকৰণ কৰি অসমত এই অভিযানৰ আৰম্ভণি কৰে। সেই অনুসৰি আজি সাধাৰণ সম্পাদক তথা সদস্যভৰ্তি অভিযান, ২০২৪-ৰ আহ্বায়ক পল্লৱলোচন দাসৰ তত্বাৱধানত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত

মুখ্যমন্ত্ৰীয়ে দলৰ সভাপতি ভবেশ কলিতাৰ পৰা সদস্যপদ গ্ৰহণ কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, মন্ত্ৰী জয়ন্ত মল্লবৰুৱাকে ধৰি ৫ শতাধিক কাৰ্যকৰ্তা উপস্থিত থাকে। সদস্যপদ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী শ্ৰী শৰ্মাই বিজেপি মূলতঃ কাৰ্যকৰ্তাৰ ওপৰত নিৰ্ভৰশীল বুলি উল্লেখ কৰি তেওঁলোকৰ শক্তিয়ে দলটোক প্ৰাণৱন্ত কৰি ৰাখিছে বুলি মন্তব্য কৰে। বিজেপি বুলি ক'লে তৃণমূল পৰ্যায়ৰ পৰা কৰ্ম কৰি প্ৰধানমন্ত্ৰীৰ পদবীলৈকে যাব পৰা তথা নিজকে ৰাষ্ট্ৰৰ হকে উচৰ্গা কৰা একোজন ব্যক্তিৰ ছবি সকলোৰে সন্মুখলৈ আহে বুলি তেওঁ কয়। দলটোৰ প্ৰতিগৰাকী সদস্যই ভাৰত মাতাৰ প্ৰতি সমৰ্পিত কাৰ্যকৰ্তা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই বিশেষত্বই দলটোক আজি বিশ্বৰ সৰ্ববৃহৎ ৰাজনৈতিক দলত পৰিণত কৰিছে।

ৰাজ্যিক সভাপতি ভবেশ কলিতাই দলৰ সংবিধান অনুসৰি প্ৰতি ছবছৰৰ মূৰে মূৰে সদস্যভৰ্তি অভিযান অনুষ্ঠিত হৈ আহিছে বুলি প্ৰকাশ কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ দলৰ মুখ্য কাৰ্যালয়ত বিজেপিৰ সদস্য ভৰ্তি অভিযান আৰম্ভ কৰাৰ পাছত বিজেপি শাসিত প্ৰতিখন ৰাজ্যতে মুখ্যমন্ত্ৰীসকলে দলৰ সদস্যপদ গ্ৰহণ কৰে।

০০০০০০০

চাইবাৰ অপৰাধত জড়িত থকাৰ অভিযোগত আজি মহানগৰ আৰক্ষীয়ে ৪ জন যুৱকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা যুৱককেইজন উজান বজাৰৰ বাব্লু দাস, দিছপুৰ ছুপাৰ মাৰ্কেটৰ অনভেশ চন্দ্ৰা, ভেটাপাৰাৰ চিন্ময় চক্ৰৱৰ্তী আৰু অবিনাশ মাহতু বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে অভিযুক্তকেইজনৰ হাতীগাঁৱৰ ত থকা এটা ফ্লেটত অভিযান চলাই ৪৪ খন চেকবুক, ১২ খন পাছবুক, ৪৯ খন ডেবিট কাৰ্ড, সংযুক্ত আৰব গণৰাজ্য আৰু থাইলেণ্ডৰ বিদেশী মুদ্ৰা, ১৭ খন চিম কাৰ্ডকে ধৰি বহু সা-সামগ্ৰী জব্দ কৰিছে। এই সন্দৰ্ভত আজি আয়োজিত এখন সংবাদমেলত মহানগৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাই কয় যে চাইবাৰ অপৰাধত জড়িত থকা অভিযুক্তকেইজনে বিভিন্ন লোকৰ নামত কৌশলেৰে বেংক একাউণ্ট খুলিছিল। পৰৱৰ্তী পৰ্যায়ত চাইবাৰ অপৰাধী চক্ৰটোৱে ধন সৰবৰাহৰ বাবে এই বেংক একাউণ্টসমূহ ব্যৱহাৰ কৰে বুলি প্ৰকাশ কৰি আৰক্ষী আয়ুক্তগৰাকীয়ে কয় যে চক্ৰটোৱে অশিক্ষিত আৰু নিম্ন আয়ৰ লোকক লক্ষ্য হিচাপে লয়। বেংক একাউণ্ট খোলাৰ পাছত পাছবুক, এটিএম কাৰ্ড, চেকবুককে ধৰি সকলো নথিপত্ৰ ডুবাইকে ধৰি আন ৰাজ্যত থকা অপৰাধী চক্ৰলৈ প্ৰেৰণ কৰে বুলি আৰক্ষী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। চাইবাৰ অপৰাধৰ বিৰুদ্ধে সকলোকে সজাগ-সচেতন হ'বলৈ আহ্বান জনাই আৰক্ষী আয়ুক্ত বৰাই কয় যে পাণবজাৰৰ চাইবাৰ থানাত ২০২৩ চনৰ ছেপ্তেম্বৰৰ পৰা বৰ্তমানলৈকে ৬০৬টা অভিযোগ দাখিল হৈছে। একেদৰে জালিয়াতি সংঘটিত ৩৫ কোটি ৫১ লাখ টকাৰ ভিতৰত ২ কোটি ৫১ লাখ ওভোটাই পাবলৈ সক্ষম হোৱা বুলি আৰক্ষী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

খিলঞ্জীয়া মুছলমানৰ অধিকাৰৰ হকে সংগ্ৰাম অব্যাহত ৰখা দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ এটা সঁজাতি দলে আজি শিৱসাগৰ ভ্ৰমণ কৰে। সংগঠনটোৰ সভাপতি ইছলামুল হক মণ্ডলৰ নেতৃত্বত অহা ৪ জনীয়া দলটোৱে আজি এখন সংবাদমেল সম্বোধন কৰি দেশী, গৰিয়া-মৰিয়া, চৈয়দ আৰু জলহা খিলঞ্জীয়া মুছলমানসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী উত্থাপন কৰে। সজাতি দলটোৱে উজনিলৈ কাম কৰিবলৈ যোৱা দেশী শ্ৰমিকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ উদ্দেশ্যে বীৰ লাচিত সেনা, সদৌ অসম টাই-আহোম ছাত্ৰ সন্থাৰ লগতে অন্যান্য সংগঠনৰ নেতৃবৰ্গৰ সৈতে আলোচনাত মিলিত হয়। সংগঠনসমূহৰ শীৰ্ষ নেতৃত্বই অসমৰ ভূমি পুত্ৰ দেশী জনগোষ্ঠীৰ সহযোগ কৰা আৰু উজনি অসমলৈ কাম কৰিবলৈ যোৱা দেশী শ্ৰমিকসকলক সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত আজি আৰু কাইলৈ ধাৰাষাৰ বৰষুণৰ আগজাননী দিছে। বিভাগটোৱে প্ৰকাশ কৰা অনুসৰি অহা ২৪ ঘণ্টাৰ ভিতৰত অঞ্চলটোত ৭ৰ পৰা ১১ চেণ্টিমিটাৰ পৰ্যন্ত

বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ফলস্বৰূপে মহানগৰীখনৰ বিভিন্ন অঞ্চল জলমগ্ন হোৱাৰ সম্ভাৱনা আছে। তদুপৰি নেৰানেপেৰা বৰষুণৰ ফলত আবদ্ধ পানীয়ে যান-যঁটৰ সমস্যাৰ সৃষ্টি কৰাৰ আশংকা প্ৰকাশ কৰা হৈছে।

০০০০০০

শ্ৰম আৰু নিয়োগ মন্ত্ৰ্যালয়ে অনগ্ৰসৰ শ্ৰমিকসকলৰ সুবিধা হোৱাকৈ প্ৰধানমন্ত্ৰী আবাস যোজনাৰ সময়সীমা বৃদ্ধি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। শ্ৰম মন্ত্ৰ্যালয়ে সকলো ৰাজ্য চৰকাৰলৈ এই সন্দৰ্ভত পত্ৰ প্ৰেৰণ কৰি নিৰ্মাণ খণ্ডৰ শ্ৰমিকৰ লগতে চুক্তিবদ্ধ শ্ৰমিক তথা অন্যান্য অ-সংগঠিত খণ্ডৰ শ্ৰমিকক ইয়াত অন্তৰ্ভুক্ত কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী সভাই প্ৰধানমন্ত্ৰী আবাস যোজনাৰ সুবিধাসমূহ ২০২৪-২৫ৰ পৰা ২০২৮-২৯ চনলৈ অতিৰিক্ত ৫ বছৰৰ কাৰণে বৃদ্ধি কৰাত অনুমোদন জনোৱাৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই যোজনাৰ সময়সীমা বৃদ্ধিৰ জৰিয়তে ২ কোটি অতিৰিক্ত গৃহ উপযুক্ত হিতাধিকাৰীক প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰমিকসকলক বাসগৃহৰ প্ৰয়োজনীয়তা সম্পৰ্কে গুৰুত্ব আৰোপ কৰা হৈছে। মন্ত্ৰ্যালয়ে লগতে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত এই শ্ৰমিকসকলক সামৰি লোৱা কাৰ্যই তেওঁলোকৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লগতে তেওঁলোকক সামাজিক ন্যায় প্ৰদানৰ ক্ষেত্ৰতো ই এটা প্ৰয়োজনীয় পদক্ষেপ বুলি উল্লেখ কৰে।

০০০০০০০

অসমৰ প্ৰাক্তন ৰাজ্যপাল তথা বৰ্তমান পাঞ্জাবৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াক আজি অসম চৰকাৰৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। পঞ্চায়ত তথা গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আৰু পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে পাঞ্জাবৰ ৰাজভৱনত শ্ৰী কাটাৰিয়াক সাক্ষাৎ কৰি এখন ফুলাম গামোচা আৰু শৰাইৰ লগতে মুখ্যমন্ত্ৰীয়ে প্ৰেৰণ কৰা ধন্যবাদসূচক প্ৰস্তাৱ অৰ্পণ কৰে। মন্ত্ৰী দুগৰাকীয়ে অসম আৰু পাঞ্জাবৰ মাজত সাংস্কৃতিক বিনিময়ৰ ক্ষেত্ৰত উদ্যোগ ল'বলৈও পাঞ্জাবৰ ৰাজ্যপালগৰাকীক আহ্বান জনায়। উল্লেখযোগ্য যে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত মহেন্দ্ৰ মোহন চৌধুৰী পাঞ্জাবৰ ৰাজ্যপাল হৈ থকাৰ সময়ত পাটিয়ালা বিশ্ববিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ আসন প্ৰতিষ্ঠা কৰাৰ উপৰি ১৯৭৪ চনত অসমৰ খাদ্য সংকটৰ সময়ত তদানীন্তন ৰাজ্যপাল মহেন্দ্ৰ মোহন চৌধুৰী আৰু মুখ্যমন্ত্ৰী জাইল সিঙে অসমলৈ খাদ্য সামগ্ৰী প্ৰেৰণ কৰি সাহায্য আগবঢ়াইছিল। পাঞ্জাবৰ ৰাজভৱনত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত ভাষণ দি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে দুয়োখন ৰাজ্যৰ মাজত থকা পুৰণি সম্পৰ্কক আৰু অধিক দৃঢ় কৰি তুলিবৰ বাবে আহ্বান জনায়। তদুপৰি পাঞ্জাব আৰু অসমৰ কৃষ্টি-সংস্কৃতিক দুয়োখন ৰাজ্যতে প্ৰদৰ্শনৰ ব্যৱস্থা গ্ৰহণ কৰি সম্প্ৰীতিৰ এনাজৰী আৰু অধিক সুদৃঢ় কৰাত উদ্যোগ ল'বলৈ শ্ৰী কাটাৰিয়াক আহ্বান জনায়। এনেধৰণৰ সাংস্কৃতিক বিনিময়ে জনসাধাৰণক সাংস্কৃতিক মত বিনিময়ৰ সুযোগ প্ৰদান কৰাৰ লগতে সু-সম্পৰ্ক বৰ্তি থাকিব বুলি মন্ত্ৰীগৰাকীয়ে কয়।

০০০০০০০

ৰাজ্য চৰকাৰৰ আৰোহণ আঁচনিৰ অধীনত বৰপেটা শিক্ষা চক্ৰৰ ২৬২ গৰাকী ছাত্ৰী-ছাত্ৰীক শিক্ষামূলক ভ্ৰমণৰ অংশ হিচাপে আজি গুৱাহাটী ভ্ৰমণ কৰোৱা হয়। এই ভ্ৰমণৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীসকলক আই আই টি গুৱাহাটী, এইমছ, ৰাজ্যিক সংগ্ৰহালয়, বায়'টেক পাৰ্ক, প্লেনেটেৰিয়াম, চিৰিয়াখানা, আৰ্মী ষ্টেচন, কলাক্ষেত্ৰ, আঞ্চলিক বিজ্ঞান কেন্দ্ৰকে ধৰি শৈক্ষিক আৰু সাংস্কৃতিক তাৎপৰ্যপূৰ্ণ স্থানসমূহ পৰিদৰ্শন কৰোৱা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে বৰপেটাৰ সহকাৰী আয়ুক্তসহ সমগ্ৰ শিক্ষাৰ ডি পি অ', ১৬ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী আৰু চিকিৎসক, নাৰ্চ তথা আৰক্ষীৰ লোকেও দলটোক সংগ দিয়ে।

০০০০০০০০

গোলাঘাটৰ জিলা আয়ুক্ত ডাঃ উদয় প্ৰবীণৰ সভাপতিত্বত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত প্ৰধানমন্ত্ৰী আদৰ্শ গ্ৰাম যোজনা এখন সভা অনুষ্ঠিত হয়। সভাখনত এই আঁচনিখনৰ কাম-কাজ আৰু অগ্ৰগতিৰ খতিয়ান লোৱা হয়। জিলা

আয়ুক্তগৰাকীয়ে এই যোজনাৰ বাবে নিৰ্বাচিত হিতাধিকাৰীসকলক প্ৰদান কৰিবলগীয়া সুবিধাসমূহ ৭ ছেপ্তেম্বৰৰ ভিতৰত প্ৰদান কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিবৰলৈ সংশ্লিষ্ট সকলোকে আহ্বান জনায়। সভাত জিলা উন্নয়ন আয়ুক্ত, জিলা চক্ৰ বিষয়া, বিভিন্ন বিভাগৰ মূৰববী বিষয়াসকল আৰু খণ্ড উন্নয়ন বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

বৰপেটা জিলাত আজি সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহ আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। এই উপলক্ষে বৰপেটা জিলা গ্ৰামীণ উন্নয়ন অভিকৰণৰ কাৰ্যালয়ৰ সভাগৃহত আয়োজিত এটা অনুষ্ঠানত কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা আশা-অংগনবাড়ী কৰ্মীৰ উপস্থিত অনুষ্ঠিত এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি এখন খাদ্য মেলাৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে এই কাৰ্যসূচীৰ অধীনত পুষ্টিকৰ খাদ্য সম্পৰ্কে অৱগত নোহোৱা অঞ্চলসমূহ চিনাক্ত কৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০০০০০০

বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে আজি যোৰহাট-তিতাবৰ পানীযোগান আঁচনিৰ অধীনত ৬টা বিশুদ্ধ খোৱাপানী যোগান আঁচনি উদ্বোধন কৰে। অসম-নাগালেণ্ড সীমান্তত অৱস্থিত এই পানীযোগান আঁচনিয়ে ৬৮২টা পৰিয়ালক বিশুদ্ধ খোৱাপানী যোগান ধৰিব।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ কইনাধৰাত থকা এক নম্বৰ ৰাজ্যিক অতিথিশালাত বক্সিং খেলুৱৈ লাভলীনা বৰগোহাঁইৰ সৈতে সৌহাদ্যপূৰ্ণ সাক্ষাতত মিলিত হয়। বাৰ্তালাপত মুখ্যমন্ত্ৰীয়ে পেৰিছ্ অলিম্পিকত অংশগ্ৰহণ কৰি অসমলৈ উভতি অহা লাভলীনাক ভৱিষ্যৎ ক্ৰীড়া জীৱনৰ বাবে আন্তৰিক শুভ কামনা জ্ঞাপন কৰে।

০০০০০০০০

কৃষি মন্ত্ৰী অতুল বৰাই আজি যোৰহাটত উপস্থিত হৈ জিলা আয়ুক্ত আৰু কৃষি বিভাগৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে যোৰহাট জিলাৰ ৩৫ খন গাঁৱত ৩১৯ হেক্টৰ ধাননিত **ৰাইচ হিছ্পা** নামৰ চৰহা পোকৰ আক্ৰমণৰ বাবে জিলাখনৰ ৫৮৯ গৰাকী কৃষক সমস্যাৰ সন্মুখীন হৈছে। সেয়েহে সমগ্ৰ বিষয়টোৰ শেহতীয়া দিশৰ বুজ লোৱাৰ উদ্দেশ্যে কৃষি মন্ত্ৰীগৰাকীয়ে আজি এই বৈঠকত মিলিত হয়। তেওঁ কৃষকসকলৰ সকাহৰ বাবে জিলা কৃষি বিভাগে গ্ৰহণ কৰি থকা যাৱতীয় ব্যৱস্থাসমূহৰ বিষয়ে বিতংকৈ পৰ্যালোচনা কৰে। ২৮১ হেক্টৰ ধাননিত ইতিমধ্যে পোকৰ আক্ৰমণ ৰোধ হৈছে। কৃষকৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি ধাননিসমূহ পোকৰ উপদ্ৰৱৰ পৰা আগন্তুক সময়তো সুৰক্ষিত ৰাখিবলৈ ল'বলগীয়া প্ৰয়োজনীয় ব্যৱস্থা যাতে কোনো ত্ৰুটি নৰয়, তাৰ বাবে কৃষি মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে জিলাখনত চলি থকা পি এম কিষাণ, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, ডিজিটেল ক্ৰ'প ছাৰ্ভেকে ধৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৃষি আঁচনিসমূহৰ ৰূপায়ণৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে বুজ লয়।

০০০০০০০

শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত অহা ১৪ ছেপ্তেম্বৰত শোণিতপুৰ জিলা আদালত প্ৰাংগনত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। এই বিশেষ লোক আদালতত মটৰ দুৰ্ঘটনা গোচৰ, দেৱানী গোচৰ, যান বাহন তথা আবকাৰী গোচৰ আৰু ফৌজদাৰী গোচৰসমূহ নিষ্পত্তি কৰা হ'ব। লোক আদালতৰ বিশেষত্ব হৈছে খৰতকীয়াকৈ গোচৰ নিষ্পত্তি কৰা। দেৱানী গোচৰৰ বাবে আদালতত পৰিশোধ কৰা মাচুল উভতাই দিয়া হয় আৰু আপিলৰ ব্যৱস্থা নাথাকে। সেয়েহে সংশ্লিষ্ট ব্যক্তিসকলে আগতীয়াকৈ আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধান কৰাৰ লগতে লোক আদালতৰ দিনা সমাধান কৰিব পাৰিব।

০০০০০০০০

ৰাজ্য চৰকাৰৰ **স্নেহ স্পৰ্শ** আঁচনিৰ অধীনত আজি বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত শিশুৰ হৃদযন্ত্ৰ আৰু ৰাজহাড়ৰ ৰোগ চিনাক্তকৰণ শিবিৰ অনুষ্ঠিত হয়। বৰপেটা, বজালী আৰু বঙাঁইগাঁৱত অনুষ্ঠিত কৰা এই শিবিৰত উপস্থিত থকা বিশেষজ্ঞ চিকিৎসক সকলে জিলা তিনিখনৰ দুই শতাধিক শিশুৰ স্বাস্থ্য পৰীক্ষা কৰে। এই সন্দৰ্ভত চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালখনৰ অধ্যক্ষ ডা০ ৰমেন তালুকদাৰে জনাই যে স্বাস্থ্য পৰীক্ষাৰ অন্তত ৰোগ ধৰা পৰা শিশুসকলৰ অসুস্থতাৰ দিশবোৰ  পৰ্যালোচনা কৰি তেওঁলোকৰ মাজৰ পৰা জটিল ৰোগীসকলক প্ৰথমে তালিকাভুক্ত কৰি সেই অনুসৰি চিকিৎসা কৰাৰ ব্যৱস্থা কৰা হ'ব।

oooooooo

ৰাজ্যজুৰি আজি ৪১ সংখ্যক অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হয়। অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে প্ৰতি বছৰে ৩ ছেপ্তেম্বৰ দিনটোত অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হয়। গুৱাহাটীৰ জজ খেলপথাৰত কেন্দ্ৰীয়ভাৱে অভিৰুচি ক্ৰীড়া দিৱসৰ আয়োজন কৰা হয়। জজ খেলপথাৰৰ পৰা নেহৰু ষ্টেডিয়ামলৈ উলিওৱা সমূহীয়া দৌৰৰ নেতৃত্ব দিয়ে অলিম্পিকত পদক বিজয়ী লাভলীনা বৰগোহাঁই আৰু প্ৰৱীণ খেলুৱৈ তৈয়বুন্নেছাই। খেলুৱৈ দুগৰাকীৰ লগতে ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোছাই সমূহীয়া দৌৰৰ ফ্লেগ অফ কৰে। সমূহীয়া দৌৰত স্কুলীয়া  ছাত্ৰ-ছাত্ৰীৰ লগতে অসম আৰক্ষী আৰু বহু সংখ্যক সাধাৰণ লোকে অংশগ্ৰহণ কৰে।

**শিৱসাগৰত** আয়োজিত অনুষ্ঠানত উপস্থিত থাকি ভোগেশ্বৰ বৰুৱাই নিজৰ জন্মদিন উযাপন কৰে। নিজৰ বক্তব্যত তেওঁ অসমত খেলুৱৈ সৃষ্টিত গুৰুত্ব আৰোপ কৰে আৰু এই ক্ষেত্ৰত চৰকাৰক আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

**তামুলপুৰত** আজি অভিৰুচি ক্ৰীড়া দিৱস উপলক্ষে ইউ পি পি এলৰ যুৱক শাখাই প্ৰাইজমানি মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। তামুলপুৰৰ নাগ্ৰিজুলিৰ পৰা তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰলৈ অনুষ্ঠিত কৰা এই প্ৰতিযোগিতাত ১২০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে। **তেজপুৰৰ** দ-পৰ্বতীয়া ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত আজি অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হয়। এই উপলক্ষে পুৱা সামূহিক দৌৰ অনুষ্ঠিত কৰাৰ লগতে বিয়লি প্ৰদৰ্শনীমূলক ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। **বাক্সাৰ** শালবাৰী মহাবিদ্যালয়ৰ খেলপথাৰৰ পৰা আজি অভিৰুচি ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি ইউ পি পি এলৰ উদ্যোগত মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

**ওদালগুৰি** জিলাতো সমূহীয়া দৌৰ কাৰ্যসূচীৰে অভিৰুচি দিৱস উদযাপন কৰা হয়। **টংলা** ক্ৰীড়া সন্থাৰ উদ্যোগত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ পৰা উলিওৱা সমূহীয়া দৌৰৰ ফ্লেগ অফ কৰে জিলাখনৰ উপ-আৰক্ষী অধীক্ষক দুৰ্গাকিংকৰ শৰ্মাই। অভিৰুচি ক্ৰীড়া দিৱসত এইবাৰ ৭ গৰাকী খেলুৱৈলৈ ক্ৰীড়া বঁটা আগবঢ়োৱা হৈছে। বেডমিণ্টন খেলুৱৈ বৰ্ণালী আকাশ চাংমাই, পেৰা ছুইমাৰ কৃষ্ণ দাস, চাইক্লিং খেলুৱৈ অভিশেষ বি গগৈ, শৰীৰৰ প্ৰশিক্ষক ৰাজীৱ দে আৰু কল্যাণ বৰ্মন, ভাৰোত্তোলনৰ প্ৰশিক্ষক অনুপ কোঁৱৰ, এথলেটিক প্ৰশিক্ষক উত্তৰ সন্দিকৈলৈ অভিৰুচি ক্ৰীড়া বঁটা আগবঢ়োৱা হৈছে।

ooooooo

**সমাপ্ত**